# নক'বলগীয়া

আধুনিক জ্ঞান-বিজ্ঞানৰ পৰিধি দ্ৰুতহাৰত বহল হৈ পৰাৰ সমান্তৰাল ভাবে আৰ্থ-সামাজিক পৰিবৰ্তনৰ ধাৰা নগৰ অঞ্চলতে সীমিত থকা নাই। আৰ্থ-সামাজিক বিকাশ নগৰাঞ্চল পক্ষপাতিত্বমূলক বুলি সততে কোৱা হয় যদিও ইয়াৰ প্ৰভাৱ গ্ৰামাঞ্চললৈও প্ৰসাৰিত হোৱা দেখা যায়। বৰ্তমান অসমৰ গ্ৰামাঞ্চলো ইয়াৰ ব্যতিক্ৰম নহয়। তথাকথিত আৰ্থ-সামাজিক উন্নয়নৰ সমান্তৰাল কৈ অনেক নেতিবাচক পাৰ্শ্বক্ৰিয়াই অসমৰ সামাজিক-সাংস্কৃতিক মূল্যবোধৰ ওপৰত বিৰূপ প্ৰভাৱ নেপেলোৱাকৈ থকা নাই। অসমৰ গ্ৰামাঞ্চলত পৰম্পৰাগতভাৱে প্ৰচলিত হৈ থকা মূল্যবোধ সম্পন্ন সামাজিক-সাংস্কৃতিক পৰিকাঠামো অতি সম্প্ৰতি অজ্ঞাতসাৰে ক্ষয়িষ্ণু ৰূপ পৰিগ্ৰহ কৰা পৰিলক্ষিত হৈছে। এনে সংশয়পূৰ্ণ প্ৰেক্ষাপটত সততে মনত আমনি কৰা কেইটামান নক'বলগীয়া কথা জুকিয়াই চোৱাৰ বাবে এই নিৱন্ধটি যুগুতোৱা হৈছে।

বৰ্তমান সময়ত অসমৰ অৰ্থনীতিত মধ্যবিত্ত শ্ৰেণীৰ বৃদ্ধি ঘটিছে। মধ্যবিত্ত শ্ৰেণীৰ সন্তানৰ অধিকাংশৰ শিক্ষা-দীক্ষা গ্ৰহণৰ প্ৰৱণতাও বৃদ্ধি হোৱা দেখা গৈছে। তথাকথিত ব্যৱস্থাৰ মাজেৰে শিক্ষিত হৈ হোৱাইট্ কালাৰড্ জবৰ পিছত তাঁতবাটি কাঢ়ি বৃহৎ অংশই অৱশেষত সহজ ধন ঘটাৰ কৌশল আয়ত্বকৰণত নিমজ্জিত হোৱা পৰিলক্ষিত হৈছে। তদুপৰি আইনযোগে নিয়োগ সুবিধা প্ৰদানে (এম্ জি এন্ ৰেগা) উপান্ত খেতিয়ক আৰু কৃষিজীৱি কৰ্মীসকলৰো পথাৰকেন্দ্ৰিক কামৰ প্ৰতি অনিহাৰ সৃষ্টি কৰিছে। সাম্প্ৰতিক গ্ৰামাঞ্চলত এনে বাতাবৰণৰ মাজত এহাতে উৎপাদনবিমুখিতা আৰু আনহাতে প্ৰচলিত ভাষিক সামাজিক সাংস্কৃতিক পৰম্পৰাই ক্ৰমে মোক্ষম আঘাত পাই

কানাই, বানাই, ভাউৰালাল, মাউৰালালৰ শাৰীত সংস্থাপিত হ'বলৈ কৰিবলগীয়াখিনি কৰিব ধৰিছোঁ। আজোককাৰ পৰম্পৰাগত গোহালি উদং কৰি, খেতি মাটি বন্ধকত দি, মাৰ্কশ্বিট-চাৰ্টিফিকেট লকাৰত ভৰাই হ'লেও ধন যোগাৰ কৰি দোকান-খামাৰ কৰি টাউনমুখী হ'ব ধৰিছোঁ। সন্তানৰ পৰিণয় আধুনিক পদ্ধতিৰে আয়োজন কৰিব পাৰিলে ধন্য হৈছোঁ। আইনাম, বিয়ানাম, ভোজৰ সলনি ৰিং চেৰিমনি, মেহেন্দী পাৰ্টি আদি আয়োজন কৰিছোঁ। ভোজৰ সলনি পতা পাৰ্টিত ক্ষুধাহীন অভ্যাগতক আদৰি সিংহ ভাগ খাদ্য সামগ্ৰী পেলনীয়া জাবৰত মিলাই দি আছোঁ। কস্মিন কালে প্ৰচলন নথকা আৰু অৰ্থ নুবুজাকৈও মম জ্বলাই, কেক্ কাটি, বেলুন ফুটাই সন্তানৰ "বাৰ্থ-ডে" আয়োজন কৰিছোঁ।

গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভৰ ভূমিকা নিষ্ঠাৰে পালন কৰা মিডিয়াবোৰে বৰ্তমান প্ৰজন্মক বিজতৰীয়া সংস্কৃতি, আচাৰ-আচৰণৰ "প্ৰদৰ্শণ ফল"ৰ চিকাৰ কৰি তোলাতে দিনে-নিশাই ব্যস্ত হৈ পৰিছে। দাঙ্গা-হাঙ্গামা, তেজৰ ফাঁকু, পৈশাচিক আচৰণ, কৈশোৰতে যৌৱনৰ আচৰণ কিদৰে কৰিব পাৰি তাৰ কিটিপ মেডিয়াবোৰে শিকোৱাত ব্যস্ত হৈ পৰিছে। বিবেচনাহীনভাৱে আনে কৰা কাৰ্যক অনুকৰণ কৰি সদৃশ কাৰ্য নিজে সংঘটিত কৰাকে প্ৰদৰ্শণ ফলৰ প্ৰভাৱ বুলি বুজোৱা হৈছে। গাঁওবোৰত প্ৰচলন হ'ব ধৰা পাপা, মাম্মা, ডেডি, মম, আণ্টি, আংকল, চুলিৰ কাট, অভব্য আচৰণ চাক্ষুষ।

আনক দেখি কামত ব্যস্ত হ'ব গৈ অনেক হালৰো নহ'ল জালৰো নহ'ল ৰূপত পৰ্যবসিত হোৱা দেখা হৈছে। দেখাত দেখি আৰম্ভ কৰা পি চি অ ব্যৱসায়, ৰবৰ খেতি, ইটা ভাটা আদি কাৰ্যসমূহৰ ভৱিষ্যত চাহিদা সম্বলিত যুক্তি যুক্ততা বিবেচনা নকৰাৰ ফলত বৰ্তমান যি পৰিণতি হ'ল সেয়া সকলোৱে দেখি আছোঁ। ভৱিষ্যত নভৱাকৈ সম্পদ, শ্ৰম আৰু শক্তি ব্যয় কৰি অপ্ৰচুৰ ভূমিৰো সংকোচন কৰিব ধৰিছোঁ। একে প্ৰৱণতাৰে ইতিমধ্যে বনাঞ্চল ধ্বংস কৰি সেউজ ধৰণী মৰুময় পৰ্যায় পোৱাইছোঁ। প্ৰাকৃতিক জলাশয়বোৰ দখল কৰি হ'লেও চালানী শস্য খেতিৰ স্থল কৰিবলৈ গৈ থলুৱা প্ৰজাতিৰ মাছ-কাছৰ কণ-কঠীয়া মাৰিবলৈ ধৰিছোঁ। অনাহকত তিথি পাৰ্বনৰ সংখ্যা বঢ়াই এইবোৰৰ বিগ বাজেটকে ধৰি

অনুৎপাদনমূলক ব্যয় বৃদ্ধি কৰি অমিতব্যয়ী আচৰণৰ কুচ-কাৱাজ কৰিব ধৰিছোঁ।

পূৰ্বে নথকা এক নতুন ব্যাধি এতিয়া আমাৰ গ্ৰাম্য সমাজক গ্ৰাস কৰিব ধৰিছে। সংসাৰ কৰিবলৈ এখন বিছনা, এখন আলনা, এখন ড্ৰেছিং টেবুল, কিছু বাচন-বৰ্তন যোগাৰত অপাৰগ পুত্ৰই কইনা ঘৰৰ পৰা সকলোখিনি লোৱাৰ আশাক অভিভাৱকসকলেও উৎসাহ যোগাব ধৰিছোঁ। পৰিণতিত পাৰ চৰাই, কুকুৰা কাটিবলৈ সাহস নথকা ডেকাৰ দ্বাৰা সংঘটিত পত্নী হত্যা, পত্নী নিৰ্যাতন আদিৰ প্ৰকোপে সমাজক ছানি ধৰিছে। এনে অপৰাধৰ বিচাৰ আনক দেখি আমিও কৰিবলৈ লৈছোঁ। সন্দেহজনক হত্যাকাৰীক তথা তেওঁলোকৰ পৰিয়ালৰ সদস্যক ঔকিল সোধাই মৃত ব্যক্তি সৎকাৰ চোতালতে কৰি ন্যায় দিয়াৰ পাশবিক আচাৰ-আচৰণ কৰিব ধৰিছোঁ।

সমাজৰ পৰিবৰ্তন অনস্বীকাৰ্য আৰু এই ধাৰাবাহিকতা অব্যাহত ৰাখিবলৈ চৰকাৰী নীতি-আদৰ্শও প্ৰচলন হৈ আছে। আমাৰ সামাজিক ব্যৱস্থাত স্বেচ্ছাসেৱী সৰু ডাঙৰ অনেক জাতীয় সংগঠনে সঠিক পথৰ কথা উনুকিয়াই আছে। ভাষা, শিক্ষা, সংস্কৃতি, কৃষি, উদ্যোগ, সামাজিক সুশৃংখলতা, পৰিবেশ, বিত্ত আদি আটাইবোৰ দিশত কৰ্মৰত সংস্থাৰ অভাৱ নাই। অথচ সঠিক দিক নিৰ্ণয় কৰা ভূমিকাত আমি আটায়ে যেন ব্যৰ্থ হৈ পৰিছোঁ। সময় এতিয়াও নিশ্চয় উকলি যোৱা নাই। সকলোৱে নিজৰ বিবেকক জগাই তোলাৰ লাগতিয়াল উপকৰণ আয়ত্ব কৰাৰ বিকল্প নাই। নক'বলগীয়া কথাবোৰ পুনশ্চঃ জুকিয়াই চাই আবেগ বিৱৰ্জিত দীৰ্ঘ ম্যাদী সাংস্কৃতিক আন্দোলনৰ গত্যান্তৰ নাই। ৰাষ্ট্ৰীয় ঘাইপথত মিছিল কৰি, অসম বন্ধ, পথ বন্ধ, কাৰ্যালয়ত তলা লগাই কৰা আন্দোলনৰ কথা কোৱা হোৱা নাই। ইয়াৰ বিপৰীতে নীৰৱে সকলোৱে শিক্ষা সাধনা, আত্মনিৰ্ভৰশীল হোৱাৰ সাধনা, সমাজ সংস্কৃতি আদি চিনি পোৱাৰ সাধনা কৰাৰ লগতে মানৱতাৰ জয়গান গাই থাকিলেই প্ৰকৃত সাংস্কৃতিক আন্দোলনৰ শুভাৰম্ভ হ'ব।

•••

# টিপ্‌লাই অঞ্চলৰ ঐতিহাসিক প্ৰেক্ষাপটত এভূমুকি

গোৱালপাৰা জিলাৰ সদৰ গোৱালপাৰা চহৰৰ পৰা প্ৰায় ৬০ কিঃমিঃ পূবে টিপ্‌লাই গাঁও অৱস্থিত। টিপ্‌লাই ১ম, ২য়, ৩য় খণ্ড ৰাজহ গাঁৱেৰে বৰ্তমান টিপ্‌লাই গাঁৱৰ স্থিতি। পৌৰাণিক সমাজ সংস্কৃতিৰ কি জনগোষ্ঠীৰ লোক কিদৰে এই অঞ্চলত বসবাস কৰিছিল সেই সম্পৰ্কে সঠিক ইতিহাস পোৱা কঠিন যদিও সাম্প্ৰতিক সমাজ সংস্কৃতিৰ ধাৰা বৈষ্ণৱোত্তৰ  সময়ৰ পৰা প্ৰবাহিত হৈ বৰ্তমানৰ অৱস্থা পাইছে বুলি অনুমান কৰিব পাৰি। প্ৰাক্ বৈষ্ণৱ কালত টিপ্‌লাই আৰু ইয়াৰ আশে-পাশে বিশেষকৈ গণেশ, চিতলমাৰী, ঘাগ্ৰা আদি পাহাৰ আৰু ইয়াৰ কাষৰীয়া বনাঞ্চল সদৃশ ঠাইসমূহৰ বাহিৰে সমগ্ৰ অঞ্চলত জনবসতি অতি নগণ্য আছিল। সেই অঞ্চলসমূহত অকল জনজাতীয় লোকহে তেনেই পাতলীয়াকৈ বসতি কৰিছিল। আধুনিক ধ্যান-ধাৰণা, শিক্ষা-দীক্ষা, যোগাযোগ-যাতায়াতৰ বাবে টিপ্‌লাই গাঁওখন প্ৰাক্ স্বাধীনতা কালৰ পৰাই ইয়াৰ কেউফালে থকা গাঁওসমূহৰ প্ৰাণ কেন্দ্ৰ হৈ পৰে। কেন্দ্ৰস্থল টিপ্‌লাইক কেন্দ্ৰ কৰি সমগ্ৰ অঞ্চল ক্ৰমে স্বাভাৱিক আৰ্থ-সামাজিক বিকাশৰ গতি লাভ কৰে। সাম্প্ৰতিক সময়লৈকেও এই ধাৰাৰ অন্যতম কেন্দ্ৰস্থল টিপ্‌লাই বুলি গণ্য কৰা হয়।

অতীজৰে পৰা দুখন জিলা- কামৰূপ আৰু গোৱালপাৰাৰ বহু সংখ্যক গাঁৱৰ বাবে টিপ্‌লাই গুৰুত্বপূৰ্ণ কেন্দ্ৰস্থল। উত্তৰ দিশত কামৰূপ জিলাৰ নাইতৰ, সোণাপুৰ, কল্যাণপুৰ, পলাহৰটাৰী আদি গাঁও আৰু ইয়াৰ আন তিনিও দিশত থকা গোৱালপাৰা জিলাৰ বৰপথাৰ, দীঘলীবৰি, কুঁহিয়াৰবাৰী, চৌকাবাৰী,

চিতলমাৰি বনগাঁও, ঘাগ্ৰা, পাটপাৰা, খলেপাৰা, গাৰোপাৰা, কঠালমূৰী, ফকিৰপাৰা, গৰুছটকা, কঠোৰবৰী, উলুবাৰী, কাহীবাৰী আদি গাঁওসমূহৰ ই শৈক্ষিক, ব্যৱসায়িক, যাতায়ত-যোগাযোগ আদিৰ মূল কেন্দ্ৰ হৈ পৰে। সমগ্ৰ অঞ্চলৰ ভিতৰত পোনতে আনুষ্ঠানিক শিক্ষানুষ্ঠান গঢ়ি তুলি এই গাঁওখন পৰৱৰ্তী আৰু সাম্প্ৰতিক সময়ত এক ঐতিহ্যপূৰ্ণ গাঁওৰূপে বিবেচিত হৈ পৰিছে। টিপ্‌লাইৰ লেখত ল'বলগীয়া সমল বিচাৰি পোৱা বৰ কঠিন বুলি ইতিমধ্যে বিবেচিত হৈছে। টিপ্‌লাই এম্ ভি স্কুলৰ হীৰক জয়ন্তী বৰ্ষত (২০০২ চন) প্ৰকাশিত স্মৃতিগ্ৰন্থত এনে এটি আভাস দাঙি ধৰা হৈছে।

টিপ্‌লাই আৰু ইয়াৰ আশে-পাশে গাঁওসমূহৰ অতি প্ৰাচীন অৱস্থাৰ ঐতিহাসিক সমল বিচাৰি হাবাথুৰি খোৱাৰ ধৃষ্টতা এই নিবন্ধকাৰৰ নাই যদিও সামগ্ৰিক অসমৰ সমাজ ব্যৱস্থাৰ বিবৰ্তনৰ আলমত ঐতিহাসিক এক প্ৰেক্ষাপট বিশ্লেষণ কৰাৰ চেষ্টা কৰা হৈছে। জীৱিত থকা কিছু লোকৰ সৈতে হোৱা বিভিন্ন আলোচনা-বিলোচনা, অসম বুৰঞ্জীৰ বিভিন্ন সমল আৰু নিজৰ সীমিত পৰ্যবেক্ষনেৰে এই নিবন্ধটি যুগুত কৰা হৈছে।

অসমৰ সমাজ ব্যৱস্থা গঢ়ি উঠিছে নানা জাতি, উপজাতি, ভাষা-গোষ্ঠী আৰু ভিন্ন ধৰ্মাৱলম্বী লোকৰ সংমিশ্ৰণত। ঐতিহাসিক প্ৰেক্ষাপটত নানা সামাজিক, ৰাজনৈতিক, প্ৰাকৃতিক প্ৰতিকূল অৱস্থা আদিয়ে ক্ৰিয়া কৰি এই সংমিশ্ৰণত অৰিহণা যোগাই আহিছে। ইতিহাসৰ প্ৰতি তৰপত এক সুদীৰ্ঘ পৰিক্ৰমাত এই সংমিশ্ৰণত অনেক যোগ বিয়োগৰ মাজেৰে বৰ্তমানৰ বৃহৎ অসমীয়া সমাজখন গঢ়ি উঠিছে। এই সমাজ বিবৰ্ত্তনৰ পৰিসংযোজন আৰু পৰিবৰ্ধন প্ৰক্ৰিয়াত টিপ্‌লাই অঞ্চলো সংপৃক্ত হৈ আছে। ঐতিহাসিক ঘটনা ক্ৰমবোৰত অসমীয়া সমাজৰ সুদিন, দুৰ্দিন, পৰিৱৰ্তন, সংবৰ্ধন আদিতো এই অঞ্চলৰ ৰাইজ ভাগীদাৰ হোৱা পৰিলক্ষিত হৈছে। আধুনিক শিক্ষা-সংস্কৃতি, সমাজ গঠনৰ প্ৰক্ৰিয়া আৰু একতা সংহতিৰ যোগে টিপ্‌লাই অঞ্চলৰ উত্তৰণ ক্ষিপ্ৰ হ'ব ধৰে প্ৰাক্ স্বাধীনতা কালৰ ১৯২৭ চনত টিপ্‌লাই মজলীয়া বিদ্যালয় স্থাপন কাৰ্যৰ মাজেৰে। পৰৱৰ্তী সময়ত টিপ্‌লাইত ১৯৬৩ চনত স্থাপিত টিপ্‌লাই হাইস্কুলে এই উত্তৰণত সমগ্ৰ অঞ্চলত প্ৰভাৱ পেলাব ধৰে।

বৃহৎ অসমৰ সমাজ-সংস্কৃতিৰ মানচিত্ৰত টিপ্‌লাইৰো এক সুকীয়া আৰু লেখত লবলগীয়া পৰিচয় যেন স্থায়ীৰূপ এই মাইলৰ খুটি সদৃশ বিদ্যালয় স্থাপনে প্ৰতিষ্ঠা কৰিলে। ইয়াৰ পৰবৰ্তী সময়ৰ আৰ্থ-সামাজিক প্ৰগতি সম্প্ৰতি সকলোৰে বাবে দৃশ্যমান। এই অঞ্চলৰ লোকসকলৰ জীৱিকা, শিক্ষা, স্বাস্থ্য, যাতায়াত-যোগাযোগ ব্যৱস্থাৰ সাম্প্ৰতিক ৰূপটোৰ বিপৰীতে ইয়াৰ অতীত প্ৰেক্ষাপট বিচাৰিবলৈ ঐতিহাসিক দৃষ্টিকোনেৰে বিভিন্ন ঘটনা প্ৰবাহক চাৰিটা পৰ্য্যায়ত ভগাই বিশ্লেষণ কৰিব পাৰি। প্ৰথম পৰ্য্যায় আহোম আগমনৰ সময়াংশ, দ্বিতীয় শ্ৰীমন্ত শঙ্কৰদেৱ আৰু মাধৱদেৱ আৰু শংকৰোত্তৰ সময়াংশ, তৃতীয় পৰ্য্যায়ৰ ইয়াণ্ডাবু সন্ধি আৰু পৰবৰ্তী সময়াংশ, আৰু চতুৰ্থ পৰ্য্যায়ত স্বাধীনতা আন্দোলনৰ ভৰপকৰ পৰা বৰ্তমান সময়াংশ। চতুৰ্থ পৰ্য্যায় অঞ্চলবাসী ৰাইজৰ অৱগত বুলি ধৰি লৈ আলোচনাটি প্ৰথমৰ তিনিটা পৰ্য্যায়ত সীমিত ৰাখাৰ প্ৰয়াস কৰা হৈছে।

আহোম ৰাজত্বৰ সময়ত অবিভাজিত গোৱালপাৰা কমতাপুৰ ৰাজ্যৰ অধীন আছিল। সেই সময়ৰ জনবসতিৰ অঞ্চলসমূহ ঘাইকৈ দুটা শ্ৰেণীত অন্তৰ্ভূক্ত আছিল। আদি বড়োমূলীয় জনগোষ্ঠীৰ লোকসকল পাহাৰীয়া অঞ্চলবোৰত বাস কৰিছিল আৰু অন্যান্যসকল নদী বা জলাশয় পাৰৰ সমভূমি অঞ্চলত বাস কৰিছিল। সমগ্ৰ অঞ্চলত জনবসতি যথেষ্ট সেৰেঙা আছিল। কিয়নো ভৌগলিক অবয়ব সম্পূৰ্ণ পাহাৰীয়াও নহয় আৰু সৰহভাগ অঞ্চল জলাবেষ্টনীৰে পৰিপূৰ্ণ অথচ জলযোগাযোগৰ সুবিধাপূৰ্ণ টিপ্‌লাই অঞ্চলৰ সুবিধাজনক অৱস্থানে এনে কথা প্ৰতিপন্ন কৰে। মন কৰিবলগীয়া যে টাই জনগোষ্ঠীৰ আহোম ৰাজ্য বিস্তাৰৰ সময়ত সুদীৰ্ঘ সময় জুৰি নানা ধৰণৰ যুদ্ধ-বিগ্ৰহ সংঘটিত হৈ আছিল। সেই সময়ত অসম ৰাজ্যখন অগণন ক্ষুদ্ৰ ক্ষুদ্ৰ ৰজাৰ শাসনৰ অধীনত বিভাজিত হৈ আছিল। আহোম ৰাজত্বৰ বিস্তাৰৰ সময়ৰ পৰাই আহোমসকলৰ সৈতে কছাৰী ৰাজ্য, কমতাৰাজ্য, ভূএগ্ৰা ৰাজ্য, চুটীয়া ৰাজ্য, খাছীয়া ৰাজ্য, গাৰো ৰাজ্য আদিৰ সৈতেও সংঘাত হ'ব ধৰিছিল। এনে দীৰ্ঘ সংঘাতৰ পৰিক্ৰমাত সুদীৰ্ঘ সময় জুৰি অসমৰ বিভিন্ন জাতি-গোষ্ঠীৰ সাধাৰণ প্ৰজা নানা প্ৰকাৰে ইঠাইৰ পৰা সিঠাইলৈ প্ৰব্ৰজিত হ'ব ধৰে। এনে

পৰিক্ৰমাত বিভিন্ন জনগোষ্ঠীৰো বসতিস্থলৰ সলনি হোৱাৰ প্ৰেক্ষাপটো অব্যাহত হৈ থাকে। এনে প্ৰভাৱৰ পৰা তাহানিৰ কমতা ৰাজ্যৰ অংগ গোৱালপাৰা জিলাখনো মুক্ত নাছিল। ভিন্ন গোষ্ঠীমূলীয় মানুহৰ সংমিশ্ৰণৰ আবাসভূমি বৰ্তমানৰ টিপ্‌লাই আৰু ইয়াৰ আশে-পাশে থকা ঠাইসমূহো এনে প্ৰেক্ষাপটৰ বাহিৰত নহয়।

দ্বিতীয় পৰ্য্যায়ত পুৰণি অসমৰ সৰু বৰ ৰাজ্যসমূহৰ মাজত সংঘাতৰ পৰিণতিত সামগ্ৰিক ভাবে অসমৰ সমাজ ব্যৱস্থাত নানা অপায় অসূয়া আহিব ধৰে। তেনে সন্ধিক্ষণত এফালে সৰু সৰু ৰাজ্যৰ অধিপতিসমূহৰ যুদ্ধ বিগ্ৰহ আৰু আনফালে সমাজ সংস্কাৰক শঙ্কৰ-মাধৱৰ সংস্কাৰমূলক কাৰ্যই সুস্থিৰ সমাজ ঠন ধৰি তোলাত অৰিহণা যোগাব ধৰে। সুদীৰ্ঘ সময় ধৰি চলি থকা খিয়লা-খিয়লি মষিমূৰ কৰাত শঙ্কৰ-মাধবৰ সংস্কাৰমূলক কাৰ্যপন্থা ক্ৰমে বৃহৎ অসমীয়া সমাজত একতা, সমন্বয় আৰু পুনৰ গঠনত ভূমিকা গ্ৰহণ কৰে। যুদ্ধ বিগ্ৰহৰ প্ৰকোপত বড়োমূলীয় ভিন্ন জনগোষ্ঠী যেনে- বড়ো, গাৰো, ৰাভা আদি আৰু মঙ্গোলীয় বড়ো জনগোষ্ঠীৰ কোঁচসকলেও কমতা ৰাজ্যৰ গোৱালপাৰা জিলাৰ বিভিন্ন ঠাইত সিঁচৰিত হৈ থিতাপি লব ধৰে। এনে সন্ধিক্ষণতে সমান্তৰালভাৱে বিভিন্ন পৰ্যায়ত ইছলাম ধৰ্মাৱলম্বী জনগোষ্ঠীও বিভিন্ন ঠাইত এইসকলৰ সৈতে সহাৱস্থান কৰিব ধৰে। বঙ্গৰ চুলতান চুলেমান কৰণানীৰ কোঁচৰাজ্য আক্ৰমণ (১৫৬৪ চন), পৰবৰ্তী সময়ত মোগলৰ আগ্ৰাসন, মহামতি আকবৰৰ সৈতে কোঁচ ৰজা মহামতি নৰনাৰায়ণৰ কটকী বিনিময়, পৰস্পৰৰ সহায়-সহযোগিতা, মীৰজুমলাৰ অসম আক্ৰমণ আদিয়ে অসমৰ গোৱালপাৰা জিলাতো মুছলমানৰ বসতিৰ পাতনি ঘটায়।

যুদ্ধ-বিগ্ৰহৰ বাবে ইতিমধ্যে ছেদেলি-ভেদেলি হৈ পৰা অসমৰ বিভিন্ন জনগোষ্ঠীৰ লোক ইতিহাসৰ তৃতীয় পৰ্য্যায়ত সুস্থিৰ আৰু সংমিশ্ৰণৰ বসতি-পৰম্পৰাৰ পাতনি মেলিব ধৰে। ঊনৈশ শতিকাৰ পাতনিতে বৃটিছৰ হাতোৰাই ক্ৰমে স্থানীয় সকলো সৰু সৰু ৰাজ্যক বশীভূত কৰি সমগ্ৰ অসমৰ শাসনৰ বাঘজৰী বৃটিছ কোম্পানী ৰাজত্বৰ অধীনত অনাৰ উপক্ৰম ঘটালে। তেনে সন্ধিক্ষণত ভূতৰ ওপৰত দানহ পৰাদি বদন বৰফুকনৰ আমন্ত্ৰণত অহা মানৰ

উপৰ্য্যুপৰি তিনিবাৰ আক্ৰমণ আৰু নিষ্ঠুৰ অত্যাচাৰে পুনৰ অসমীয়া লোকক ত্ৰাসিত কৰাৰ লগতে বসতিস্থলৰো স্থানান্তৰ ঘটাব ধৰে। মানব সভ্যতাৰ প্ৰব্ৰজনৰ ইতিহাসৰ অনুকূলে টিপ্‌লাই অঞ্চললৈও সৰহ সংখ্যক লোকক ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰৰ পৰা ঠেলি পঠিওৱাৰ ইতিহাস পোৱা যায়। মানৰ ত্ৰাসত টিপ্‌লাই গাঁৱৰ পূৰ্ব পুৰুষসকল বৰ্তমানৰ বৰপেটা আৰু নলবাৰী অঞ্চলৰ পৰা প্ৰব্ৰজিত হোৱা বুলি প্ৰবাদ আছে। ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰৰ পৰা নগৰবেৰা অঞ্চলেৰে পাৰ হৈ টিপ্‌লাইৰ বৰ্তমান লোকসকলৰ পূৰ্বজসকল অদ্‌লা নামে টিলা সদৃশ ঠাই এখনত খোপনি পুতিছিল। ঠাইখন জলাশয় আৰু হাবি বননিৰে আবৃত আছিল। তেতিয়া বন্যপ্ৰাণী বিশেষকৈ বাঘৰ ত্ৰাসৰ পৰা পৰিত্ৰাণ পাবলৈ সেই লোকসকলে বাঘেশ্বৰী মন্দিৰ স্থাপন কৰি পূজা-অৰ্চনা কৰিছিল। পৰবৰ্তী সময়ত বৰ্তমানৰ টিপ্‌লাই ঠাইখন অধিক সুবিধাজনক ভাবি লোকসকল টিপ্‌লাইত নিগাজী কৈ বসতি কৰিব ধৰে। মন কৰিবলগীয়া যে অদ্‌লাৰ বাঘেশ্বৰী মন্দিৰটো বৰ্তমানেও সেই ঠাইৰ বাঙালী সম্প্ৰদায়ৰ লোক সকলে পূজা-অৰ্চনা আগবঢ়াই সজীৱ কৰি ৰাখি আছে।

পূৰ্বৰে পৰা ঘটি অহা যুদ্ধ-বিগ্ৰহৰ প্ৰকোপত সৃষ্টি হোৱা দুৰ্বিসহ আৰু সংকটপূৰ্ণ অৱস্থাৰ দীৰ্ঘ পৰিক্ৰমাত ইয়াণ্ডাবু সন্ধি যোগে অসম ৰাজ্য পূৰ্ণাঙ্গ ৰূপে বৃটিছৰ অধীনলৈ যায়। তেতিয়া ক্ৰমে প্ৰচলিত দ্বন্দসমূহ কমি আহিব ধৰে। তেনে সময়তে শঙ্কৰ-মাধৱৰ বিভিন্ন শিষ্যৰ দ্বাৰা সমাজ সংস্কাৰমূলক কাম-কাজেৰে সুস্থিৰ সমাজ গঠন প্ৰক্ৰিয়া অব্যাহত হ'ব ধৰে। নানা যুদ্ধ-বিগ্ৰহৰ মাজেৰে বিধস্ত হৈ পৰা ৰজাসকলক আৰু তেওঁলোকৰ ৰাজ পৰিয়ালবোৰক মাহিলি পেঞ্চন, জমি আৰু পাইক প্ৰদানেৰে ৰজাদিনীয়া প্ৰশাসনৰ অৱনতি ঘটাব ধৰে। পূৰ্বৰ কমতা ৰাজ্যৰ গোৱালপাৰাতো কোঁচ ৰাজবংশীয় ৰাজ পৰিয়ালক জমিদাৰী ব্যৱস্থা প্ৰদান কৰি বৃটিছে শান্তিপূৰ্ণ অৱস্থা ঘূৰাই আনিব ধৰে। বঙ্গদেশলৈ হস্তান্তৰ হোৱা গোৱালপাৰা জিলাৰ শাসন ভাৰ পুনৰ ১৯১১ চনৰ পৰা বৃটিছে আয়ত্ব কৰি এজন বৃটিছ মুখ্য আয়ুক্তৰ অধীনত চলা অসম ৰাজ্যৰ লগত চামিল কৰিলে। তেতিয়াৰ পৰাই অসমৰ গোৱালপাৰা জিলাৰ প্ৰশাসন, ৰাজহ সংগ্ৰহ আদি ব্যৱস্থা স্থায়ী আৰু সুস্থিৰ ৰূপ পাব ধৰে। ইয়াৰ

পৰিণতিত গোৱালপাৰা জিলাত প্ৰচলিত জমিদাৰী ব্যৱস্থা ক্ৰমে কটকটীয়া হ'ব ধৰে আৰু নানা প্ৰজাহিতকৰ কাম-কাজো দ্ৰুত হ'ব ধৰে।

অবিভাজিত গোৱালপাৰা জিলাৰ শৈক্ষিক, সাংস্কৃতিক উত্তৰণৰ ভেটি সেই সময়ৰ জমিদাৰী ব্যৱস্থাই পোনতে স্থাপন কৰিব ধৰে। গোৱালপাৰা জিলাৰ জমিদাৰী ব্যৱস্থাৰ বিশেষকৈ বিজনী ৰাজ ইষ্টেটৰ অধীনত বৰ্তমানৰ টিপ্‌লাই অঞ্চল অন্তৰ্ভূক্ত হৈ আছিল। এই ব্যৱস্থাৰ অধীনত সুস্থিৰ আৰু শান্তিপূৰ্ণ সমাজ গঢ়াৰ বাবে জাতি, ধৰ্ম-গোষ্ঠী-নিৰ্বিশেষে সকলো প্ৰজাকে সামৰি লৈ জনসাধৰণৰ শিক্ষা, স্বাস্থ্য আৰু সাংস্কৃতিক-ধৰ্মীয় অনুষ্ঠান গঢ়া আৰু প্ৰতিপালনৰ বাবে পৃষ্ঠপোষকতা কৰা হৈছিল। ইতিমধ্যে বসতিপূৰ্ণ গাঁওসমূহত ধৰ্মীয় অনুষ্ঠান, মঠ-মন্দিৰ আদিৰ বাবে টিপ্‌লাই অঞ্চল আৰু ইয়াৰ আশে-পাশে থকা অনুষ্ঠানসমূহৰ বাবে আনুষ্ঠানিক ভূমিদান নথিভূক্ত কৰাৰ ব্যৱস্থা কৰা হৈছিল আৰু এইবোৰ সমাজত স্বীকৃত হ'ব ধৰিছিল। ধৰ্মীয় পৰম্পৰাৰে সমাজত সুস্থিৰ সাংগঠনিক-শৈক্ষিক-সাংস্কৃতিক বাতাবৰণ সৃষ্টিত অৰিহণা যোগোৱা টিপ্‌লাই অঞ্চলৰ লেখত লবলগীয়া কিছু অনুষ্ঠান আৰু ঠাইৰ সংক্ষিপ্ত বিৱৰণ দাঙি ধৰিলোঁ।

**চিতলমাৰিৰ জপা শিল ঃ** টিপ্‌লাইৰ গাতে লাগি থকা চিতলমাৰি পাহাৰৰ জপা শিল সম্পৰ্কীয় বিশ্বাস আৰু তাক কেন্দ্ৰ কৰি গঢ়ি উঠা পৰম্পৰাৰ অলেখ কাহিনী সেই অঞ্চলৰ সকলোৰে মনত শিপাই আছে। চিতলমাৰি পাহাৰখনৰ আশে-পাশে বসবাস কৰা লোকসকলে অতি প্ৰাচীন কালৰ পৰাই বিশ্বাস কৰি আহিছিল যে পাহাৰত থকা জপা শিল দুটুকুৰাত ইষ্ট দেৱ-দেৱী অৱস্থান গ্ৰহণ কৰিছিল। সেই বিশ্বাসৰ আধাৰত শিল দুটুকুৰাত পূজা-অৰ্চনা আগবঢ়াইছিল। সেই অঞ্চলৰ ৰাইজৰ বিবাহ, শ্ৰাদ্ধ আদি শুভ কাৰ্যৰ বাবে সেই স্থানত মানস কৰি পূজা-অৰ্চনা আগবঢ়ালে আৰ্থিক নাটনি দূৰ কৰি সকলো প্ৰকাৰৰ মনোবাঞ্চা পূৰ হোৱাৰ লগতে সূচাৰুৰূপে শুভকাম সম্পন্ন হয় বুলি বিশ্বাস আছিল। সামাজিক বান্ধোনত এনে বিশ্বাস আৰু সেই স্থানত সমবেত হোৱা কাৰ্যই উন্নয়নৰ নানা দিশৰ উন্মেষ ঘটাইছিল বুলি অনুমান কৰিব পাৰি। তদুপৰি সেই পাহাৰৰ এটা অংশত এটা প্ৰকাণ্ড শিলক কেন্দ্ৰ কৰি এক অলৌকিক

শক্তি সম্পন্ন প্ৰাৰ্থনাথলী অৱস্থিত। অতি পুৰণি কালত সেৰেঙা জনবসতিৰ শাক্তপন্থী লোকসকলৰ বিশ্বাসক কেন্দ্ৰ কৰি একতাৰে সমাজপাতি বসবাস কৰাৰ ই উৎস হৈ পৰিছিল। উক্ত ক্ষুদ্ৰ পাহাৰৰ নিজৰাত চিতলমাছ সদৃশ বৃহৎ শিল আৰু মেকুৰী আকৃতিৰ শিলৰ অৱস্থানে আদিম কোমল মনৰ মানুহৰ মনত অলৌকিকতাৰ বীজ সিঁচিছিল আৰু তাৰ পৰিণতিতে আজিও ভক্তপ্ৰাণ ৰাইজে এই ঠাইক পবিত্ৰ প্ৰাৰ্থনাথলী বুলি জ্ঞান কৰে।

**টিপ্‌লাই সত্ৰ ঃ** টিপ্‌লাই অঞ্চলৰ পুৰণি চাম লোকৰ মুখত শুনা মতে টিপ্‌লাই সত্ৰ নামৰ সন্ধান পোৱা যায়। ড° মহেশ্বৰ নেওগৰ দ্বাৰা ৰচিত "পবিত্ৰ অসম" গ্ৰন্থতো ইয়াৰ সংক্ষিপ্ত বিৱৰণ পোৱা যায়। তৎসত্বেও গোৱালপাৰা কামৰূপত অৱস্থিত আনবোৰ সত্ৰৰ জমিদাৰী তথ্যত নিস্পিখেৰাজ (সত্ৰৰ নামত) জমিৰ তথ্য যিদৰে পোৱা যায় টিপ্‌লাই সত্ৰৰ ক্ষেত্ৰত তেনে তথ্য পোৱা হোৱা নাই। টিপ্‌লাইৰ মাজমজিয়াত অৱস্থিত ৰামচন্দ্ৰ বিগ্ৰহৰ অতি পুৰণি ইতিহাসে টিপ্‌লাইতো সত্ৰ আছিল বুলি প্ৰতিপন্ন কৰে। টিপ্‌লাইৰ বৰ্তমানৰ প্ৰধান আৰু পুৰণি বসতিস্থলত বসবাসৰ প্ৰথম পাতনি হয় ইতিমধ্যে উল্লিখিত ওচৰৰে অদ্‌লা নামৰ ঠাইখনৰ পৰা।

**দুধকোঁৱৰৰ থান ঃ** টিপ্‌লাইৰ পৰা প্ৰায় ৫ কিলোমিটাৰ মান পূব-দক্ষিণ দিশত দুধকোঁৱৰৰ থান অৱস্থিত। এই থানক পুৰণি মুছলমানলোক সকলে সত্যপীৰৰ থান বুলি আখ্যায়িত কৰাৰ বিপৰীতে হিন্দু ধৰ্ম্মাৱলম্বীসকলে দুধকোঁৱৰৰ (ভগবানৰ এক ৰূপ) থান বুলি আজিকোপতি বিশ্বাস কৰে আৰু বৰ্ত্তমান অঞ্চলৰ সকলো জনগোষ্ঠীৰ লোকৰ ই মিলন ক্ষেত্ৰত পৰিণত হৈছে। বহাগ মাহৰ প্ৰথম সপ্তাহত এই থানত সকলো জনগোষ্ঠীৰ ভক্তপ্ৰাণ ৰাইজৰ সমাগম ঘটাৰ পৰম্পৰাই সমগ্ৰ অঞ্চলৰ লোকৰ মাজত মিলা প্ৰীতি, সহনশীলতা আৰু আদান-প্ৰদানৰ সংস্কৃতি গঢ়ি তোলাত ইতিবাচক প্ৰভাৱ পেলাই আহিছে।

**কঠালমুৰী সত্ৰ ঃ** টিপ্‌লাইৰ পৰা ৪ কিঃমিঃ মান দূৰত্বত গণেশ পাহাৰৰ দক্ষিণ দিশত কঠালমুৰী সত্ৰৰ স্থান। তথ্য মতে এই সত্ৰ দামোদৰ দেৱৰ বংশৰ বসুদেৱ গোস্বামী দেৱে স্থাপন কৰিছিল। প্ৰবাদ মতে বসুদেৱ গোস্বামী দেৱে বৰ্তমানৰ কামৰূপ জিলাৰ জামলাই হৈ নাৱেৰে গৰুছটকা গাঁৱৰ ৰঙাগড়া

(লালঘাট) নামৰ ঠাইত নৌকাৰ পৰা নামিছিল আৰু তাৰ পৰা পদব্ৰজে কঠালমুৰীলৈ শিষ্য সহ গমন কৰিছিল। গৰুছটকাৰ উক্ত ঠাইত অতি পুৰণি নৌকাৰ অৱশিষ্ট মাটিৰ তলত পোত খাই থকা অৱস্থাৰ বিৱৰণ নিবন্ধকাৰে আজিৰ পৰা ৪০ বছৰ মান আগতে পূৰ্বজসকলৰ মুখত শুনিছিল। প্ৰবাদ মতে উক্ত গুৰুজন দুনাই উক্ত পথেৰে প্ৰত্যাগমন কৰা নাছিল। গুৰুৱে আৰোহন কৰা নৌকাৰ পবিত্ৰতা ৰক্ষাৰ্থে কোনোৱেই উক্ত নৌকা ব্যৱহাৰ নকৰা হেতু সেই ঠাইতে ক্ৰমে নিশ্চিহ্ন হৈ পৰিছিল।

**জাম্‌লাই সত্ৰ ঃ** ৰামচৰণ ঠাকুৰৰ পুত্ৰ চৰিতকাৰ দৈত্যাৰি ঠাকুৰে কামৰূপ আৰু গোৱালপাৰাৰ সীমাত টিপ্‌লাইৰ পৰা ৪/৫ কিঃ মিটাৰ মান পূব উত্তৰে জামলাই আৰু নাওকাটা সত্ৰ পাতিছিল। ড° মহেশ্বৰ নেওগৰ বিৱৰণ মতে দৈত্যাৰি ঠাকুৰৰ পৰিনাতি দানপতি ঠাকুৰে জামলাই সত্ৰৰ প্ৰভূত উন্নতিৰ চেষ্টা কৰিছিল যদিও ভীষণ কলাজ্বৰত এই ঠাই অক্ৰান্ত হয়। ইয়াৰ পৰিণতিত জামলাই সত্ৰখনৰ বিগ্ৰহ উঠাই আনি খেকাপাৰাৰ ওচৰৰ নাওকাটাত স্থাপন কৰে। নাওকাটা সত্ৰৰ নামত বিজনী ৰাজ ইষ্টেটে বহু পৰিমানৰ নিস্পিখেৰাজ জমি প্ৰদান কৰিছিল। তদুপৰি ৰামচৰণ ঠাকুৰৰ দ্বাৰা পৰিচালিত তাহানিৰ দলগোমা সত্ৰৰ এক বড়া সত্ৰ বৰ্তমানৰ খেকাপাৰাত স্থাপন কৰা হৈছিল বুলি বিৱৰণ পোৱা যায়।

**ফকিৰপাৰাৰ পাগ্‌লাপীৰৰ দৰগাহ ঃ** টিপ্‌লাইৰ পৰা ৩ কিঃমিঃ মান দক্ষিণ দিশত পাটপাৰা গাঁৱৰ এটা অংশ ফকিৰপাৰা অতি পুৰণি গাঁও আৰু ইয়াত পাগ্‌লাপীৰৰ দৰগাহ আছিল বুলি তথ্য পোৱা যায়। এই দৰগাহখনক আশ্ৰয় কৰি এই ঠাইত মুছলমান লোকৰ বসতি আছিল। তাহানিৰ গোৱালপাৰা জিলাৰ ডেপুটি কালেক্টৰৰ ৩১/১২/১৮৫৯ তাৰিখৰ ২৪৬ নং ৰোৱকাৰী মতে ৬২৯ বিঘা ২ কঠা পীৰপাল জমি এই দৰগাহৰ নামত দিয়া হৈছিল। ডোমন শ্বাহ আৰু আলী শ্বাহ ফকিৰ (দৰবেশ) দুজনৰ পুৰ্ব পুৰুষসকল এই দৰগাহৰ সেৱক আছিল। এই পীৰপালত্ব জমি ৰাণী ভাগ্যেশ্বৰীৰ আমোলত বিজনী ৰাজ ইষ্টেটৰ অন্তৰ্ভুক্ত হৈছিল। ভীষণ কলাজ্বৰৰ প্ৰভাৱত কালক্ৰমত মুছলমান লোকসকল সেই ঠাই ত্যাগ কৰি আন ঠাইলৈ প্ৰব্ৰজিত হয়।

ওপৰত উল্লিখিত ধৰ্ম্মীয় সাংস্কৃতিক অনুষ্ঠানসমূহক কেন্দ্ৰ কৰি বৰ্তি

থকা গাঁওসমূহ টিপ্‌লাই গাঁৱক কেন্দ্ৰ কৰি ১ কিঃমিটাৰৰ পৰা ৭/৮ কিঃমিটাৰমান ব্যাসাৰ্ধলৈ বিস্তৃত হৈ আছে। এই আটাইবোৰ গাঁৱৰ ভিতৰত প্ৰাথমিক আৰু মাধ্যমিক শিক্ষাৰ অনুষ্ঠান পোনতে টিপ্‌লাইত গঢ়ি উঠাৰ বলতে ই সমগ্ৰ ভিতৰুৱা অঞ্চলটিৰ শিক্ষাৰ প্ৰাণকেন্দ্ৰ হৈ পৰিছিল। টিপ্‌লাই গাঁৱক কেন্দ্ৰ কৰি সমগ্ৰ অঞ্চলটিক বৰ্তমানৰ দৃষ্টিভংগীত ভিতৰুৱা বুলি আখ্যায়িত কৰাৰ কাৰণ হ'ল ই যাতায়াত - যোগাযোগৰ প্ৰধান উৎসসমূহৰ পৰা ভালেমান দূৰত্বত অৱস্থিত। আধুনিক যাতায়াতৰ প্ৰধান উৎস ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথ আৰু গোৱালপাৰা জিলা সদৰৰ পৰাও ৬০ কিঃমিঃ দূৰত্বত ইয়াৰ অৱস্থিতি বাবে অনেক ক্ষেত্ৰত আধুনিক উন্নয়ণৰ উন্নত সা-সুবিধাৰ পৰা এই অঞ্চল বঞ্চিত হৈ আছে।

●●●

# ডাইনী হত্যা ঃ
# এক সামাজিক ব্যাধি

অপ-আত্মা, ডায়েন অথবা ডাইনী আদি বিশ্বাসেৰে কোনো পুৰুষ বা মহিলাক আখ্যায়িত কৰি বিভিন্ন প্ৰকাৰে উৎপীড়ন-হাৰাশাস্তি কৰাৰ উপৰিও নৃসংশ হত্যাৰ দৰে চৰম শাস্তি বিহালৈকে চলি থকা কুকাৰ্য্য আধুনিক সভ্যতাত এক সামাজিক ব্যাধি বুলি বিবেচিত হৈছে। তন্ত্ৰ বা যাদুৰ বলেৰে সৰ্ব্বোচ্চ আলৌকিক শক্তি আহৰণে হ'ল ডাইনী পৰম্পৰাৰ ঘাই উদ্দেশ্য। অতি পুৰণি কালৰ পৰাই অন্ধবিশ্বাসৰ পৰা প্ৰস্ফুটিত তন্ত্ৰ-মন্ত্ৰ যাদু বিদ্যা আদিৰ প্ৰভাৱত "Witchcraft" ডাইনী পৰম্পৰা সমাজত প্ৰচলিত হ'ব ধৰিছিল। বিশ্বৰ যিবোৰ অঞ্চল আধুনিক শিক্ষা-সংস্কৃতিৰ জখলাত আগতে উধাব পাৰিছিল সেইবোৰ অঞ্চলত আগতেই ডাইনী অপ-সংস্কৃতিৰো বিলোপ হ'ব ধৰিছিল। ডাইনী পৰম্পৰাৰ বিশ্ব ইতিহাসে এই কথাকেই প্ৰতিপন্ন কৰে। বিশ্বৰ প্ৰত্যেকখন মহাদেশতে ডাইনী বিশ্বাসৰ ইতিহাস বিদ্যমান যদিও সম্প্ৰতি এচিয়া, আফ্ৰিকা আৰু লেটিন আমেৰিকাৰ অন্তৰ্গত তৃতীয় বিশ্বৰ দেশ-সমূহতহে ডাইনী পৰম্পৰা প্ৰকট হৈ থকা দেখা যায়।

ইউৰোপীয় দেশসমূহৰ পৰম্পৰাতো পূৰ্বে এনে পৰম্পৰা প্ৰচলিত আছিল। সেই দেশ সমূহৰ সামাজিক ব্যৱস্থাত ডাইনী বিশ্বাস আৰু ইয়াৰ বশবৰ্ত্তী হৈ কৰা কাৰ্য্যক ভেল্কিবাজী ঐন্দ্ৰজালিক বা ঈশ্বৰৰ শত্ৰু চয়তানৰ দ্বাৰা সমৰ্থিত কাৰ্য্য বুলি বিবেচনা কৰা হৈছিল। ইউৰোপীয় আৰু মধ্যপ্ৰাচ্যৰ দেশ-সমূহত খৃষ্ট আৰু ইছলাম ধৰ্মৰ বিস্তাৰে মানুহৰ মাজত প্ৰাকৃতিক ধৰ্ম্মৰ বিপৰীতে

একেশ্বৰবাদৰ জন্ম দিব ধৰাৰ পৰিণতিত এনে কুপ্ৰথা ক্ৰমে হ্ৰাস হ'ব ধৰে। শিক্ষা আৰু বৈজ্ঞানিক মনোবৃত্তিৰ প্ৰসাৰে সামাজিক সচেতনতা বৃদ্ধিৰ লগে লগে বিভিন্ন ধৰণৰ বিধি-বিধান গ্ৰহণ ব্যৱস্থাইও সেইবোৰ দেশত ডাইনী পৰম্পৰাৰ বিলুপ্তি ঘটোৱাত অৰিহণা যোগাই আহিছে। এই প্ৰক্ৰিয়া শিল্প বিপ্লৱ অৰ্থাৎ ১৮ শতিকাৰ আৰম্ভণিৰ পৰা আৰম্ভ হয়। তাৰ আগলৈকে সেইবোৰ দেশত ডাইনী হত্যাৰ প্ৰকোপ অধিক আছিল। অতি উন্নত দেশ অকল জাৰ্মানীতে ১৫৬০ চনৰ পৰা ১৬৮০ চনলৈ মুঠ ৩০০ লোকক ডাইনী সন্দেহত হত্যা কৰা হৈছিল। এইবোৰৰ উপৰিও আজি অতি উন্নত দেশৰ তালিকাৰ শীৰ্ষত থকা অষ্ট্ৰিয়া, চুইজাৰলেণ্ড, স্কটলেণ্ড, হলেণ্ড আদি দেশতো ডাইনী হত্যাৰ প্ৰকোপ আছিল। ভাষা-সাহিত্য, বিজ্ঞান-শিক্ষা, বৈজ্ঞানিক উদ্ভাৱন, আৰ্থিক অৱস্থা আদিৰ পৰিবৰ্ত্তনৰ বলত ডাইনী হত্যা প্ৰতিৰোধ কৰাৰ ব্যৱস্থা কৰা হৈছিল। তৎসত্বেও ইউৰোপীয় কিছুমান দেশত কুৰি শতিকাৰ আৰম্ভণিত ডাইনী হত্যা অপসংস্কৃতিৰ পুনঃ প্ৰাদুৰ্ভাৱ হ'ব ধৰিছিল। "মাৰ্গাৰেট মুৰে" নামৰ ব্যক্তি এজনৰ দ্বাৰা প্ৰণীত "The Witch Cult in Western Europe" গ্ৰন্থৰ প্ৰভাৱত এই কুপ্ৰথাৰ পুনৰ প্ৰাদুৰ্ভাৱ ঘটিছিল বুলি তথ্য পোৱা যায়। ক্ৰমে শিক্ষা-বিস্তাৰ আৰু বৈজ্ঞানিক দৃষ্টিভংঙ্গীৰ প্ৰসাৰে সেইবোৰ দেশত এই কুপ্ৰথা নাইকীয়া কৰে। এই ব্যাধি নিৰাময়ৰ বাবে কুৰি শতিকালৈ বিভিন্ন প্ৰচেষ্টা অব্যাহত ৰখা হৈছিল। সামাজিক সচেতনতা বৃদ্ধিৰ ব্যৱস্থা কৰাৰ উপৰিও নানা ধৰণৰ বিধি-বিধান গ্ৰহণ কৰা হৈছিল। ডাইনী হত্যাৰ প্ৰকোপ নিৰাময়ৰ নানা ব্যৱস্থাৰ অনুকূলে ছপাৰূপত প্ৰবন্ধ, গ্ৰন্থ আদি প্ৰকাশ হ'ব ধৰিছে। শিক্ষা সংস্কৃতিৰ পৰিবৰ্ত্তিত ধাৰাই সেইবোৰ দেশত আগতেই এনে কুপ্ৰথাৰ বিলুপ্তি ঘটাবলৈ সক্ষম হৈছিল যদিও তৃতীয় বিশ্বৰ দেশ এতিয়াও এই ব্যাধিৰ পৰা মুক্ত হ'ব পৰা নাই। ডাইনী হত্যা প্ৰচলনৰ পৰা ভাৰতবৰ্ষ আজিও মুক্ত হ'ব পৰা নাই; বৰঞ্চ ইয়াৰ মাত্ৰা বৃদ্ধি হোৱা পৰিলক্ষিত হৈছে।

আমাৰ সমাজ ব্যৱস্থাৰ পৰিপ্ৰেক্ষিতত স্বাভাৱিকতে বিশ্বাস কৰা হয় যে পুৰুষতকৈ মহিলা দুৰ্বল। প্ৰাকৃতিক কাৰণত 'মহিলা দুৰ্বল' কথাটোৱে এনে কুপ্ৰথাৰ বাবে অনুপ্ৰেৰণাদায়ক। মহিলা দুৰ্বল হোৱা হেতু অপ-আত্মা এওঁলোকৰ

গাত সহজে লম্ভাৰ অজুহাতত আপেক্ষিকভাৱে পুৰষতকৈ মহিলা ডাইনী সন্দেহত অধিক নিগৃহিত হোৱা দেখা যায়। ভাৰতবৰ্ষৰ অনেক ঠাইত এনে কুপ্ৰথাৰ বলি হৈ অধিকাংশ মহিলাই নানা উৎপীড়নৰ অন্তত সমাজ তথা স্ব-গৃহৰ পৰা বিতাৰিত হ'বলগীয়া হৈছে অথবা হত্যাৰ বলি হৈছে। ডাইনী বুলি সন্দেহ কৰা মহিলাৰ ক্ষেত্ৰত যেন কোনো মানবীয় কথাই প্ৰযোজ্য নহয়, বৰং পাশৱিক অত্যাচাৰৰ বলিহে হ'বলগীয়া হয়। কোনো মহিলা ডাইনী বুলি গ্ৰাম্য সমাজৰ ৰোষত পৰিলেই অবৰ্ণনীয় অত্যাচাৰৰ সন্মুখীন হ'বলগীয়া হয়। প্ৰাথমিক পৰ্য্যায়ত ৰাজহুৱাভাৱে অকথ্য লাঞ্চনা দিয়াৰ উপৰিও কৌশলপূৰ্ণ ধৰ্ষণ তথা হত্যা কৰি পুতি থোৱালৈ চৰম পৰিণতিৰ সৃষ্টি কৰা হয়। সাম্প্ৰতিক কালত অকল মহিলাই নহয় পুৰুষ আৰু আনকি ডাইনী সন্দেহত নিমজ্জিত ব্যক্তিৰ সমগ্ৰ পৰিয়াল তথা পৰিয়ালৰ শিশুকো এনে অপ-সংস্কৃতিৰ বলি হোৱা দেখা যায়।

এই কু-প্ৰথাৰ গুৰি বিচাৰিলে দেখা যায় যে এনে জঘন্য প্ৰথাৰ বিশ্বাস সমূলি ভ্ৰান্ত আৰু অমূলক। ই কেৱল অন্ধবিশ্বাসৰ আধাৰত গঢ়ি উঠা এক সামাজিক ব্যাধি। কোনো পুৰুষ বা মহিলাই প্ৰদৰ্শন কৰা বিশেষ আচৰণৰ গইনা লৈ অথবা কোনো কৌশলপূৰ্ণ ব্যক্তিৰ (আত্মা আহ্বান কৰি ওজালি কৰা ব্যক্তি) নিৰ্দেশত কাৰোবাক ডাইনী সন্দেহ কৰা হয়। এনে সন্দেহৰ অন্তৰালত অনেক উদ্দেশ্য তথা ন্যস্ত স্বাৰ্থ নিহিত হৈ থাকে। অন্তৰ্নিহিত ন্যস্ত স্বাৰ্থ পুৰণৰ বাবে সন্দেহযুক্ত ব্যক্তি বা পৰিয়ালৰ ওপৰত সমাজৰ বাবে অপায়ৰ কিছুমান দোষ জাপি দি প্ৰবল অপবাদৰ ঢৌ তোলা হয়। ডাইনী বুলি সন্দেহ কৰা লোকক সমাজত অমঙ্গল, দীৰ্ঘম্যাদী বেমাৰ-আজাৰ, অভাৱ-অনাটন, পশুধনৰ হানি বিঘিনি, শস্য-উৎপাদন হ্ৰাস, আনৰ গালৈ অপ-আত্মা আৰু বেমাৰ প্ৰেৰণ আদিৰ উৎস বুলি বিশ্বাস জন্মাই দায়ী কৰা হয়। উত্থাপিত অপবাদৰ সপক্ষে গ্ৰাম্য-সমাজত সামাজিক বিচাৰৰ ব্যৱস্থা হাতত লোৱা হয় আৰু পৰ্য্যায়ক্ৰমে এই প্ৰক্ৰিয়াই সন্দেহযুক্ত ব্যক্তিক হত্যা কৰালৈ চৰম পৰ্য্যায়লৈ লৈ যোৱা হয়। ডাইনী সন্দেহৰ বলি হোৱা ব্যক্তি বা পৰিয়ালে যিকোনো প্ৰতিৰোধ গঢ়ি তোলাৰ পূৰ্ব্বেই তথাকথিত গাঁৱৰ হোজা বিচাৰকে দোষী সাব্যস্ত কৰি চৰম পৰিণতিৰ

সৃষ্টি কৰে।

আশ্চৰ্যজনক কথা এয়ে যে ডাইনী হত্যা বৃদ্ধি হৈ থকা সময়ত এনে অপ-সংস্কৃতিৰ অন্তৰালত সমাজৰ একশ্ৰেণী বুধিয়ক লোকৰ ব্যক্তিগত মুনাফা যেনে-সম্পত্তি হস্তগতকৰণ, যৌন ক্ষুধা নিবাৰণ তথা প্ৰতিপত্তি অৰ্জনৰ দৰে নিকৃষ্ট উদ্দেশ্য নিহিত হৈ থকাৰ তথ্য পোৱা যায়। মনকৰিবলগীয়া যে ডাইনী হত্যা অকল কম শিক্ষা থকা, স্বাস্থ্য সেৱা সুবিধাৰ পৰা বঞ্চিত গ্ৰাম্যাঞ্চলৰ দুখীয়া লোকসকলৰ মাজতহে প্ৰকট হৈ থকা দেখা যায়। অজ্ঞতা আৰু বৈজ্ঞানিক মনোবৃত্তিৰ অভাৱেই ডাইনী হত্যাৰ দৰে ব্যাধিৰ ঘাই কাৰণ বুলি বিবেচিত হৈছে। প্ৰধানতঃ এই দুই ধৰণৰ অভাৱৰ বাবে অন্ধবিশ্বাসৰ কবলত পৰিবলগীয়া হয় যাৰ পৰিণতিত অজ্ঞলোক সকলে সকলো অপায়ৰ মূল ডাইনী সন্দেহত নিমজ্জিত ব্যক্তিকে ভাবি লয়।

ভৌগলিক দৃষ্টিকোনৰ পৰা বিবেচনা কৰিলে দেখা যায় যে ডাইনী হত্যা বিষয়টো বিশ্বজনীন যদিও ই সম্প্ৰতি আঞ্চলিক ব্যাধি হৈ পৰিছে। ভাৰতবৰ্ষৰ প্ৰেক্ষাপটত চালে দেখা যায় যে দেশৰ মুঠ ২৯ খন ৰাজ্যৰ ভিতৰত ১২ খন ৰাজ্যত ইয়াৰ প্ৰকোপ যথেষ্ট। প্ৰায় অৰ্ধেক ৰাজ্যত এই কুপ্ৰথাৰ প্ৰাদুৰ্ভাৱলৈ লক্ষ্য কৰি ই এক ৰাষ্ট্ৰীয় সমস্যা বুলি গণ্য কৰিব পাৰি যদিও ৰাষ্ট্ৰীয় প্ৰেক্ষাপটত কোনো বিধি প্ৰণয়ন হোৱা দেখা নাযায়। এইখিনিতে উল্লেখ কৰা যুগুত হ'ব যে, ভাৰতবৰ্ষৰ ১২খন ৰাজ্যত প্ৰকট হৈ থকা ৰাজ্যসমূহ হ'ল- অসম, বিহাৰ, ঝাৰখণ্ড, উৰিষ্যা, চট্টিশগড়, হাৰিয়াণা, পশ্চিমবঙ্গ, মধ্যপ্ৰদেশ, ৰাজস্থান, অন্ধ্ৰপ্ৰদেশ, গুজৰাট আৰু মহাৰাষ্ট্ৰ।

ডাইনী হত্যাৰ তথ্য তুলনা কৰি চালে এই ৰাজ্য সমূহৰ ভিতৰত অসমৰ স্থান উল্লেখযোগ্য। Assam State Commission for Women (ASCW) নামৰ সংস্থাৰ তথ্যমতে অসমত ২০০৬ চনৰ পৰা ২০১২ চনলৈ ডাইনী হত্যাৰ ঘটনা সংঘটিত হয় ১০৫ টা। এই বৃহৎ আকাৰৰ তথ্যই ৰাজ্যখনৰ বাবে নিজাববীয়াকৈ কঠোৰ আইন প্ৰণয়নৰ ইংগিত বহন কৰে। উল্লেখযোগ্য যে উল্লেখিত সংস্থাই ডাইনী হত্যাৰ বিৰুদ্ধে বিভিন্ন কৰ্মপন্থা গ্ৰহণ কৰি আছে যদিও বিশেষ প্ৰভাৱ পেলাব পৰা নাই। উক্ত -সংস্থাৰ দ্বাৰা নানা সজাগতামূলক আঁচনি

ৰূপায়ণ কৰি থকা হৈছে যদিও কঠোৰ আইন আৰু পুলিচ প্ৰশাসনৰ হস্তক্ষেপ অবিহনে এই ব্যাধি নিৰ্মুল কৰা সুদুৰ পৰাহত।

কঠোৰ আইন প্ৰণয়ন কৰি ডাইনী হত্যা নিৰ্মূলৰ বাবে ব্যৱস্থা হাতত লোৱা ৰাজ্যসমূহৰ ভিতৰত বিহাৰ প্ৰথম। এইখন ৰাজ্যই ১৯৯৯ চনত "The Prevention of Witch (Dayan) Practices Act" গ্ৰহণ কৰিছে। সেইদৰে ঝাৰখণ্ড আৰু চট্ৰিশগড়তো ডাইনী হত্যাৰ বিপক্ষে আইন প্ৰণয়ন কৰি প্ৰয়োগ কৰাৰ ব্যৱস্থা কৰা হৈছে। অসমত আজিকোপতি তেনে কোনো আইন প্ৰণয়ন হোৱা নাই যদিও ASCW সংস্থাই ২০১১ চনত ডাইনী হত্যাৰ বিৰুদ্ধে এটা আইনৰ খচৰা প্ৰস্তুত কৰিছিল। কিন্তু ই অনুমোদিত হ'বলৈ বৈ আছে বুলি জানিব পৰা হৈছে।

ASCW সংস্থাৰ ডাইনী হত্যা বিষয়ক কাম-কাজৰ উপৰিও ২০১১ চনৰ পৰা ব্যক্তিগত প্ৰচেষ্টাত গোৱালপাৰা জিলাৰ এগৰাকী সমাজসেৱিকাই এই দিশত সংগ্ৰাম চলাই থকা পৰিলক্ষিত হৈছে। ১৯৯৯ চনৰ পৰা সমতা সমিতিৰ সৈতে জড়িত হৈ বিভিন্ন সমাজ সংস্কাৰমূলক কাম কাজত লিপ্ত থকা বায়দা অঞ্চলৰ ঠাকুৰবাৰীৰ ড° বিৰুবালা ৰাভাই ২০১১ চনত 'মিছন বিৰুবালা' নামেৰে এক কৰ্মসূচী আৰম্ভ কৰে। উক্ত মিছনৰ যোগেদি ৩৫ গৰাকী ডাইনী সন্দেহত নিগৃহিত লোকক মৰ্যাদাসহ আত্মসংস্থাপনৰ বাবে যাবতীয় ব্যৱস্থা কৰাৰ প্ৰচেষ্টা অব্যাহত ৰখা বিৰুবালা ৰাভা সকলোৰে অনুকৰণীয় হ'ব পাৰে। তেওঁৰ সামাজিক সংস্কাৰমূলক কৰ্ম আৰু ডাইনী হত্যাৰ বিৰুদ্ধে ঘোষণা কৰা জেহাদৰ সুবাদতে ২০০5 চনত তেওঁৰ নাম শান্তিৰ ন'বেল বঁটাৰ বাবে প্ৰেৰিত হৈছিল। চৰকাৰ, বিভিন্ন সংগঠন তথা ব্যক্তি বিশেষে বিৰুবালা ৰাভাৰ পক্ষত থিয় দিলে বিধিগত ব্যৱস্থাতকৈও ডাইনী হত্যাৰ দৰে কুপ্ৰথা মষিমুৰ কৰিবলৈ নিশ্চয় সৰহ দিন নালাগিব।

•••